Subject Code : 01
01-AS

5070396

**1001**

# 2026

# ASSAMESE
## (Modern Indian Language)

5070396

Full Marks : 100
Pass Marks : 30

Time : 3 hours

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত GROUP-A (ক-বিভাগ) আৰু GROUP-B (খ-বিভাগ)-ৰ উত্তৰ কৰিব লাগিব।

নাইবা

GROUP-A (ক-বিভাগ) আৰু GROUP-C (গ-বিভাগ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।

5070396 5070396 5070396



Shot with my Galaxy A71
www.Assamstudyhub.com

## GROUP-A

## (ক-বিভাগ)

(মূল্যাংক : ৭৫)

১। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) দশম শ্ৰেণীৰ শ্ৰেণীকোঠাত সোমোৱা শ্ৰেণী-শিক্ষক গৰাকীৰ নাম কি ?

(খ) 'ফ্ৰম ভল্‌গা টু গংগা' কাৰ ৰচনা ?

২। চমু উত্তৰ লিখা : (যি কোনো দুটা) ২×২=৪

(ক) অসমীয়া জনগোষ্ঠীৰ ধাৰক বুলিলে কোনসকলক বুজায় ?

(খ) 'সৰ্বপল্লী ৰাধাকৃষ্ণণ' ৰ বিষয়ে চমুটোকা লিখা।

(গ) "ছাৰ, এজন উদ্যোগী হ'বৰ বাবে শিক্ষাগত অৰ্হতা কেনেধৰণৰ হ'ব লাগিব ?" – এইদৰে কোনে সুধিছিল ? তাৰ উত্তৰত শিক্ষকে কি কৈছিল বুজাই লিখা।

৩। উত্তৰ লিখা : ৪

(ক) "এজন উদ্যোগী হোৱা যিমান সহজ, সফল হোৱাটো কিন্তু সিমান সহজ নহয়।"

– কথাষাৰ পাঠৰ আধাৰত বুজাই লিখা।

নাইবা

(খ) "সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ।"

– কথাষাৰৰ তাৎপৰ্য তোমাৰ পাঠ্যপুথিৰ সহায়ত বুজাই লিখা।

৪। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) কুঁৱলীয়ে প্ৰথম কালৈ ই-মেইল কৰিছিল ?

(খ) অৰুণিমা সিন্‌হাৰ কোনবিধ খেলত বিশেষ দক্ষতা আছিল ?


Shot with my Galaxy A71lm

৫। চমু উত্তৰ লিখা : ২

'আটাইৰে মুখবোৰ শুকাই টেমি যেন হৈছে।'

– কাৰ, কি কাৰণত মুখবোৰ শুকাই টেমি যেন হৈছে ?

50703396

৬। উত্তৰ লিখা : ৪

(ক) ইন্টাৰনেটৰ অত্যধিক ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ জীৱনত কেনে প্ৰভাৱ পেলাব পাৰে – পাঠটোৰ আধাৰত বুজাই লিখা।

50703396

নাইবা

(খ) এভাৰেষ্ট বিজয়ৰ সপোন দিঠকত পৰিণত কৰিবলৈ অৰুণিমাই কেনেদৰে অনুশীলন কৰিছিল ?

৭। অতি চমু উত্তৰ লিখা : ১ × ২ = ২

50703396

(ক) পাহিৰ ককায়েকৰ নাম কি ?

(খ) লেখকে বুশ্বেৰত কি আছে বুলি শুনিছে ?

৮। চমু উত্তৰ লিখা : ২

টেহৰাণৰ প্ৰাকৃতিক অৱস্থা কেনেকুৱা লিখা।

50703396



Shot with my Galaxy A71lm

৯। (ক) "কামত ল'ৰা-ছোৱালী বুলি ভাগ নাই। যেনেকৈ কাম ভাগ কৰি দিছোঁ তেনেকৈ কৰা।"

এই কথাষাৰৰ বক্তা কোন ? তেওঁ কিয় এই কথাষাৰ ক'বলগীয়া হৈছিল আঁতিগুৰি মাৰি লিখা। ৩

নাইবা

(খ) কোনজন ইৰাণ শাসকে কেনেদৰে ভাৰতবৰ্ষত বিভীষিকাৰ সৃষ্টি কৰিছিল ?

50070396

১০। অতি চমু উত্তৰ লিখা : ১ × ২ = ২

(ক) 'মোহ-পাশ' মানে কি ?

(খ) জিকিৰৰ ৰচক কোন ?

50070396

১১। চমু উত্তৰ লিখা : ২ × ২ = ৪

(ক) বৰগীতৰ চাৰিটা লক্ষণ লিখা।

(খ) 'খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত।'

- ইয়াত 'ৰছুল' আৰু 'মোমিন' শব্দ দুটাৰ অৰ্থ লিখা।

50070396

১২। "মক্কাৰ দুৱাৰত চাহাব তিৰ্‌বেণীৰ ঘাট।

বেহাব নোৱাৰে তাত মায়াই ভেটে বাট॥"

— অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা। ৩

১৩। অতি চমু উত্তৰ লিখা : ১ × ৩ = ৩

(ক) জল, স্থল আৰু ক'ত দেৱতাৰ মহা অভিযান চলিছে ?

(খ) অসমীয়া সকলে কিহেৰে তৈয়াৰী পেঁপা বজাইছিল ?

(গ) কবিয়ে কিমান বছৰৰ আগতে মানুহজনক লগ পাইছিল ?

50070396



Shot with my Galaxy A71lm

১৪। "বৰ শান্তিত আছোঁ

এই পঁজাটিত।" কোনে, কিয় এইদৰে কৈছিল বুজাই লিখা। ২

১৫। উত্তৰ লিখা : ৪

(ক) "মন্দিৰৰ উপেক্ষিত ৰবাব ফুলেও

দিছে যাচি প্রেম-পৰিমল।"

– কবিতাফাকিৰ অন্তর্নিহিত ভাৱটি বিশ্লেষণ কৰা।

নাইবা

(খ) 'মই অসমীয়া' কবিতাটোৰ সাৰাংশ লিখা।

১৬। (ক) তলৰ যি কোনো এটা শব্দৰ সন্ধি ভাঙা : ১

হিমালয়, দেৱৰ্ষি, সজ্জন

(খ) তলত দিয়া যি কোনো এটা শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা : ১

তৃণ, বিষণ্ণ, বিষম

(গ) তলৰ যি কোনো এটাৰ ব্যাসবাক্যসহ সমাসৰ নাম লিখা : ১

ধেনু-শৰ, পঞ্চবটী, পীতাম্বৰ

(ঘ) তলত দিয়া বাক্যটি সৰল বাক্যলৈ পৰিৱৰ্তন কৰা : ১

যদি পৰিশ্ৰম কৰা, তেন্তে নিশ্চয় সাফল্য লাভ কৰিবা।



Shot with my Galaxy A71lm

(ঙ) যথাস্থানত যতি চিহ্ন বহুওৱা : ১

মানুহজনে কৈছিল মই এই পুখুৰীটো সাঁতুৰি পাৰ হ'ব পাৰোঁ

(চ) তলৰ যি কোনো এটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা : ১

আকৰ্ষণ, হাঁহি, বাহিৰ

(ছ) এটা শব্দত প্ৰকাশ কৰা (যি কোনো এটা) : ১

যি ৰাতি চৰে, চোবাই খোৱা বস্তু, সখিয়েকৰ মাক

(জ) তলৰ যি কোনো এটা শব্দৰ সমাৰ্থক শব্দ লিখা : ১

হাট, গছ, পুৰণি

(ঝ) তলত দিয়া যি কোনো এটা শব্দৰ প্ৰত্যয় ভাঙি দেখুওৱা : ১

মগনীয়া, লিখোঁতা, ঘৰুৱা

(ঞ) তলৰ যি কোনো এটাৰ অৰ্থ প্ৰকাশ হোৱাকৈ এটি বাক্য ৰচনা কৰা : ১

থুনুক-থানাক, চুকৰ ভেঁকুলী, ধোদৰ পচলা

১৭। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ভাব সম্প্ৰসাৰণ কৰা :

চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি।


50703965070396 5070396 5070396
Shot with my Galaxy A71lm

(খ) তোমাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পুথিভঁৰালৰ অভাৱৰ বাবে কেনে ধৰনৰ অসুবিধা হৈছে তাক জনাই তোমাৰ বিদ্যালয় প্ৰধানলৈ ছাত্ৰ-ছাত্ৰী একতা-সভাৰ এগৰাকী সম্পাদক/সম্পাদিকা হিচাপে এখন আবেদন পত্ৰ লিখা।

(আবেদন পত্ৰত তোমাৰ নাম, ঠিকনা উল্লেখ নকৰিবা।)

(গ) তুমি দেখি থকা সমাজৰ যিকোনো এটা কুসংস্কাৰৰ বিষয়ে স্থানীয় বাতৰি কাকতৰ সম্পাদকলৈ প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা।

১৮। তলৰ যি কোনো এটা বিষয়ৰ ওপৰত এখনি ৰচনা লিখা : ৮

(ক) তোমাৰ প্ৰিয় সাহিত্যিক

(আৰম্ভণি – সাহিত্যিক গৰাকীৰ অৱদান – ভাল পোৱাৰ কাৰণ – সামৰণি)

(খ) বৃত্তিমূলক শিক্ষা

(আৰম্ভণি – বৃত্তিমূলক শিক্ষা কি – বৃত্তিমূলক শিক্ষাৰ প্ৰয়োজনীয়তা – সামৰণি)

(গ) গ্ৰন্থমেলা

(আৰম্ভণি – অসমৰ গ্ৰন্থমেলা – গ্ৰন্থমেলাৰ প্ৰয়োজনীয়তা – সামৰণি)

১৯। 'বৈচিত্ৰ্যময় অসম' নামৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যি কোনো দুটা জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ সম্পৰ্কে চমুকৈ লিখা। ২ × ২ = ৪

২০। তোমাৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যি কোনো এটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙণি যোগোৱা এজন ব্যক্তিৰ বিষয়ে চমুটোকা লিখা। ২



Shot with my Galaxy A71lm

২১। তলত দিয়া গদ্যাংশৰ মূলভাৱ লিখা :

সমাজৰ উন্নতি বিশেষকৈ নিৰ্ভৰ কৰে সাহিত্যিৰ ওপৰত। এটা জাতিৰ সাহিত্য যিমান চহকী, সেই জাতিৰ উন্নতি সিমান বহল। এখন সমাজৰ সুখ-দুখৰ ছবি ফুটি উঠে সাহিত্যত। সাহিত্যই বহুতো জাতিৰ বুৰঞ্জীত একোটা নতুন যুগ আনি দিয়ে। ফৰাচী দেশত যেতিয়া মানুহৰ ওপৰত অত্যাচাৰে সীমা চেৰাই গৈছিল, ফৰাচী সমাজত যেতিয়া অত্যাচাৰ-ব্যভিচাৰ বিয়পি পৰিছিল, তেতিয়া ফৰাচী-সাহিত্যৰ লেখকসকলে তেওঁলোকৰ সাহিত্যত সেইবোৰ ফুটাই নোতোলা হ'লে ফৰাচী বিপ্লৱে বুৰঞ্জীত ঠাই নাপালেহেঁতেন।

50703396

50703396

50703396

50703396

Shot with my Galaxy A71lm

## GROUP-B

## (খ-বিভাগ)

(মূল্যাংক : ২৫)

২২। অতি চমু উত্তৰ লিখা : ১ × ২ = ২

(ক) অসমীয়া গদ্য সাহিত্যৰ জনক কোন ?

(খ) হেমচন্দ্ৰ গোস্বামীৰ প্ৰথম অসমীয়া ছনেটটোৰ নাম কি ?

২৩। চমু উত্তৰ লিখা : (যি কোনো এটা) ২

(ক) তক্ষশীলা বিশ্ববিদ্যালয়ত কি কি বিষয়ৰ শিক্ষা দিয়া হৈছিল ?

(খ) কুৰুক্ষেত্ৰ যুদ্ধত কৌৰৱৰ বিশিষ্ট সেনাপতিসকলৰ নাম লিখা।

২৪। উত্তৰ লিখা : ৩

(ক) "জানা ৰাজা, যুদ্ধৰ সমুখত অৰ্জুনে এইি বাক্য বুলি ধনুশৰ এৰি কম্পিত হৈলা, ৰথৰ উপৰত বসিলা।" — এইদৰে কোনে, কাক কৈছে ? অৰ্জুনে কি বাক্য কৈ ৰথৰ ওপৰত বহি পৰিল। — তোমাৰ কথাৰে লিখা।

নাইবা

(খ) আৰ্য শিক্ষাৰ কলাবিদ্যা কিমানটি ? প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয়সমূহত আৰ্য শিক্ষাৰ কলা-বিদ্যা কোন কোন বিভাগত দিয়াৰ ব্যৱস্থা আছিল ?

২৫। অতি চমু উত্তৰ লিখা : ১

কপিল মুনিৰ মাতৃ কোন আছিল ?

50703396 50703396 50703396 50703396

Shot with my Galaxy A71lm

২৬। “ধৰ ঝাড়ু ধৰ ভাই” কবিতাত কবিয়ে জাতিৰ জীৱন কেনেকৈ মনোহৰ কৰিবলৈ আহ্বান জনাইছে চমুকৈ লিখা।

50703 96

২৭। উত্তৰ লিখা :

(ক) “তথাপি তোহাক দেখন্তে ডৰত

উৰি যায় মোৰ জীউ।”

– এইষাৰ কাৰ উক্তি ? কাক দেখি, কিয় তেওঁৰ ভয়তে জীউ উৰি যায় বুজাই লিখা।

নাইবা

(খ) “পূজা দিলি পৰ চৰণত

জীৱন ঢালি ধাৰে ঋণে”

– কোনে, কাৰ চৰণত পূজা দিয়াৰ কথা কবিয়ে কৈছে, চমুকৈ লিখা।

২৮। (ক) তলত দিয়া যি কোনো এটা শব্দৰ বিপৰীত শব্দ লিখা :

উন্নতি, ক’লা

(খ) তলত দিয়া যি কোনো এটা শব্দৰ বিপৰীত লিংগ লিখা :

দৰা, ককা

(গ) তলত দিয়া যি কোনো এটা শব্দৰ সমাৰ্থক শব্দ লিখা :

বিপদ, নবীন

Shot with my Galaxy A71lm

(ঘ) আতি... টা বাক্য লিখা :

(ঙ) খালী ঠাইত উপযুক্ত অনুসৰ্গ বহুওৱা : ১

কামটো যত্নেৰে কৰিবা ______________ ।

(চ) তলৰ বাক্যটি শুদ্ধকৈ লিখা : ১

কালিলৈ এটা বজাত আহিবা ।

(ছ) তলত দিয়া যি কোনো **এটা** শব্দৰ আধুনিক ৰূপ লিখা : ১

বিগুটিয়া, সুমৰন্তে

২৯। তলত দিয়া যি কোনো **দুটা** ছন্দৰ সূত্ৰ লিখি উদাহৰণ দিয়া : ২ × ২ = ৪

ঝুমুৰি, চৰণ, ছবি

5070396
5070396